# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন

**মহানগৰ খবৰ, ২২ ফেব্ৰুৱাৰী ঃ** আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষ আৰু গিৰিধৰ শৰ্মা ট্ৰাষ্টৰ সহযোগত কালি অনুষ্ঠিত হৈ যায় মাতৃভাষা দিৱস। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা অনুষ্ঠানটিত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত দুটা শাখাত 'শুদ্ধ অসমীয়া ভাষাত' বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বক্তৃতাৰ বিষয় আছিল 'প্ৰিয় গ্ৰন্থ' অথবা 'প্ৰিয় সাহিত্যিক' আৰু অষ্টম শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বক্তৃতাৰ বিষয় আছিল 'দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰয়োজনীয়তা' অথবা 'তোমাৰ জীৱনত পিতৃ-মাতৃৰ ভূমিকা'। প্ৰতিটো শাখাৰে প্ৰথম স্থান লাভ কৰা প্ৰতিযোগীক ৪০০০ নগদ, দ্বিতীয় স্থান লাভ কৰা প্ৰতিযোগীক ৩০০০ টকা আৰু তৃতীয় স্থান লাভ কৰা প্ৰতিযোগীক ২০০০ টকাকৈ নগদ ধনেৰে পুৰস্কৃত কৰাৰ লগতে একোটিকৈ স্মাৰক আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। মাতৃভাষা দিৱসৰ মূল সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বেজবৰুৱা আসনৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, প্ৰথিতযশা সাহিত্যিক, সাহিত্য অকাডেমীৰ ফেল' ড° নগেন শইকীয়াই মাতৃভাষা চৰ্চাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে বিশদভাৱে আলোচনা আগবঢ়ায়। ড° শইকীয়াই অসমীয়া ভাষাত বিজতৰীয়া শব্দ নোসোমাবৰ বাবে প্ৰত্যেকেই সজাগ আৰু সচেতনভাৱে মাতৃভাষাৰ শুৱলা শব্দসমূহ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰে। সভাত সভাপতিত্ব কৰে ড° গিৰীশ চন্দ্ৰ শৰ্মাই আৰু আদৰণী ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্যই। এই ব্যতিক্ৰমী অনুষ্ঠানটিৰ সমন্বয়ক আছিল ড° অৰ্চনা পূজাৰী। সন্ধিয়ালৈ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকখন মঞ্চস্থ কৰে। নাটকখন উদ্বোধন কৰে 'ক্ষোভ' চিনেম্যাৰ পৰিচালক হীৰেন বৰাই। নাটখন পৰিচালনা ড° গীতাঞ্জলি হাজৰিকা আৰু দেৱপ্ৰতিম বৰাৰ।

